জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৩
১৬ জুলাই ২০২৬ ■ বৃহস্পতিবাৰ ■ ৩১ আহাৰ, ১৯৪৮ শক

# ডিব্ৰুগড়ত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ মৃত্যু দিৱস পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৫ জুলাই ঃ** আধুনিক অসমৰ অন্যতম ৰূপকাৰ, সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ মৃত্যু দিৱস উপলক্ষে আজি ডিব্ৰুগড়ত শ্ৰদ্ধাৰে তেওঁৰ স্মৃতিচাৰণ কৰা হয়। সাংবাদিকতা, ক্ৰীড়া, সংস্কৃতি, উদ্যোগ, বেংকিং আৰু সমাজ জীৱনলৈ তেওঁৰ অনন্য অৱদান সশ্ৰদ্ধভাৱে সোঁৱৰণ কৰে অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে। চহৰৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা উদ্যান (ফুলবাগান)ত স্থাপিত সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানটো পৰিচালনা কৰে ডিব্ৰুগড় পৌৰ সভাৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ ড° কামিনী ৰঞ্জন বৰুৱাই। মাল্যাৰ্পণৰ পিছত ভাষণ প্ৰদান কৰি ড° বৰুৱাই কয় যে ৰাধা গোবিন্দ বৰুৱা কেৱল এগৰাকী সফল সংবাদ-পত্ৰ প্ৰতিষ্ঠাপকেই নহয়, তেওঁ আধুনিক অসমৰ গঢ় দিয়া দূৰদৰ্শী ব্যক্তিসকলৰ অন্যতম। সাংবাদিকতা, ক্ৰীড়া, সংস্কৃতি, উদ্যোগ আৰু জনজীৱনৰ বিভিন্ন ক্ষেত্ৰত তেওঁৰ সুদূৰপ্ৰসাৰী অৱদান আজিও অসমবাসীক অনুপ্ৰাণিত কৰি আহিছে। তেওঁ উল্লেখ কৰে যে ১৯৩৯ চনৰ ৪ আগষ্টত ৰাধা গোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰ পৰাই The Assam Tribune সাপ্তাহিক সংবাদ-পত্ৰৰ শুভাৰম্ভ কৰিছিল। পিছত ১৯৪৬ চনত সংবাদ-পত্ৰখন গুৱাহাটীলৈ স্থানান্তৰ কৰি ইয়াক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম ইংৰাজী দৈনিক সংবাদ-পত্ৰ হিচাপে গঢ়ি তোলে। আজিৰ The Assam Tribune গোটৰ ভেটি ডিব্ৰুগড়তেই স্থাপন হৈছিল বুলি তেওঁ স্মৰণ কৰে। ড° বৰুৱাই লগতে কয় যে ৰাধা গোবিন্দ বৰুৱা ১৯২৩ চনত ডিব্ৰুগড়ত স্থাপিত Imperial Bank of India-ৰ (বৰ্তমানৰ State Bank of India) প্ৰথম অসমীয়া কৰ্মচাৰী আছিল। ফুলবাগানৰ সমীপৰ যি ঐতিহাসিক ভৱনটোত সেই বেংকৰ শাখা কাৰ্যালয় স্থাপিত হৈছিল, সেই ভৱনটোৱেই বৰ্তমান জিলা ন্যায়ালয় হিচাপে ব্যৱহৃত হৈছে। ডিব্ৰুগড়ৰ এই ঐতিহাসিক স্থানসমূহৰ সৈতে ৰাধা গোবিন্দ বৰুৱাৰ জীৱন আৰু কৰ্মৰ গভীৰ সম্পৰ্ক আছে বুলি তেওঁ উল্লেখ কৰে। বিশিষ্ট সমাজকৰ্মী তথা ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া জ্ঞান প্ৰকাশ শৰ্মা আৰু প্ৰবীণ ক্ৰীড়া সংগঠক অঞ্জন বৰুৱায়ো আবক্ষ মূৰ্তিৰ পাদদেশত বন্তি আৰু ধূপ-ধূনা জ্বলাই সিংহপুৰুষগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁলোকে অসমৰ সামগ্ৰিক উন্নয়ন, সাংবাদিকতা, ক্ৰীড়া আৰু সাংস্কৃতিক জাগৰণত ৰাধা গোবিন্দ বৰুৱাৰ অতুলনীয় অৱদান সশ্ৰদ্ধভাৱে সোঁৱৰণ কৰে। অনুষ্ঠানত বক্তাসকলে কয় যে ৰাধা গোবিন্দ বৰুৱাৰ আদৰ্শ, কৰ্মনিষ্ঠা, দূৰদৰ্শিতা আৰু জাতি গঢ়াৰ দৃষ্টিভংগী নতুন প্ৰজন্মৰ মাজত অধিক প্ৰচাৰ আৰু সংৰক্ষণৰ প্ৰয়োজন আছে। আধুনিক অসমৰ ইতিহাসত তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব বুলিও তেওঁলোকে মত প্ৰকাশ কৰে।

## মঙলদৈৰ মিলিজুলি মইনা পাৰিজাতৰ ব্যতিক্ৰমী পদক্ষেপ

# যোগাসন, আকস্মিক বক্তৃতা-হেমন্ত দত্ত বিৰচিত গীতৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৫ জুলাই ঃ** মঙলদৈ জিলা মইনা পাৰিজাতৰ অন্তৰ্গত মিলিজুলি মইনা পাৰিজাতে মইনাসকলৰ বৌদ্ধিক মানসিক আৰু সাংস্কৃতিক উত্তৰণৰ বাবে বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী লৈ আহিছে। শেহতীয়াকৈ গ্ৰীষ্মকালীন বিদ্যালয় বন্ধৰ সময়ত মইনাসকলৰ মাজত যোগাসন, আকস্মিক বক্তৃতা আৰু হেমন্ত দত্ত বিৰচিত গীতৰ কৰ্মশালা ১৩, ১৪ আৰু ১৫ জুলাইত তিনিদিনীয়াকৈ অনুষ্ঠিত কৰে। মিলিজুলি মইনা পাৰিজাতৰ সভাপতি দ্বিপেন্দ্ৰ কুমাৰ শৰ্মাৰ নেতৃত্বত আৰম্ভ হোৱা কৰ্মশালাৰ শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকে মুখ্য উপদেষ্টা দৰং ৰত্ন ফুলেন্দ্ৰ নাথ চহৰীয়া, খৰিকাজাঁই সাহিত্য সভাৰ সম্পাদক মদন চন্দ্ৰ বৰুৱা, উপদেষ্টা খগেন শৰ্মাকে ধৰি বহু কেইগৰাকী অভিভাৱক উপস্থিত থাকে। ২০ জনতকৈ অধিক মইনাৰ উপস্থিতিত প্ৰথম দিনা যোগাসন প্ৰশিক্ষক পৱিত্ৰ প্ৰাণ ডেকাই মইনাসকলক যোগাসনৰ জৰিয়তে শাৰীৰিক আৰু মানসিকভাৱে কেনেকৈ সুস্থ থাকিব লাগে তাৰ প্ৰশিক্ষণ দিয়ে। ইয়াৰ পিছতে মঙলদৈ জিলা মইনা পাৰিজাতৰ সম্পাদক দ্বিপেন বৰুৱা আৰু ডায়েট মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা দেবেন্দ্ৰ কুমাৰ কলিতাই মইনাসকলক আকস্মিক বক্তৃতা কিদৰে উপস্থাপন কৰিব লাগে তাৰ প্ৰশিক্ষণ দিয়ে। দ্বিতীয় আৰু তৃতীয় দিনৰ কাৰ্যসূচীত যোগগুৰু ননী কলিতাৰ যোগ প্ৰশিক্ষণেৰে কৰ্মশালা আৰম্ভণি হয়। তাৰ পিছতে ড° ভূপেন হাজৰিকা সংগীত একাডেমীৰ সঞ্চালক মুন কুমাৰ ডেকা আৰু সংগীত শিল্পী হীৰামণি ডেকাৰ তত্ত্বাৱধানত প্ৰয়াত হেমন্ত দত্ত বিৰচিত গীতৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ সামৰণী অনুষ্ঠানত গীতিকাৰ প্ৰয়াত হেমন্ত দত্তৰ কেইবাটাও গীত মইনাসকলে পৰিৱেশন কৰে।

# নগাঁৱত যাত্ৰা-১২ৰ চিত্ৰ প্ৰদৰ্শনী আৰম্ভ

## ছবিয়ে মানুহৰ চিন্তাৰ উন্মেষ ঘটায় ঃ চিমি গোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৫ জুলাই ঃ** নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত তেজপুৰৰ যাত্ৰা - এন ওডিছী অৱ দা আৰ্টৰ উদ্যোগত আজিৰ পৰা তিনিদিনীয়াকৈ চিত্ৰ প্ৰদৰ্শনী আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চিত্ৰ শিল্পী ৰাতুমণি দাসৰ তত্ত্বাৱধানত এই চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। এই চিত্ৰ প্ৰদৰ্শনী উদ্বোধন কৰে নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। উদ্বোধনী অনুষ্ঠানত অসমৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী চিমি গোস্বামীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি চিমি গোস্বামীয়ে চিত্ৰ শিল্পৰ বিভিন্ন দিশ উল্লেখ কৰি কয় যে ছবি কেৱল মনোৰঞ্জনৰ আহিলা নহয়। ছবিয়ে মানুহৰ চিন্তাৰ উন্মেষ ঘটায়। লগতে তেওঁ নিজকে নাটকৰ আজন্ম প্ৰেমী বুলি অভিহিত কৰি নাটক আৰু অভিনয়ৰ বিষয়ে উল্লেখ কৰে। নাটক সম্পৰ্কীয় এটা কবিতা আবৃত্তি কৰি গোস্বামীয়ে সকলোকে সন্মোহিত কৰি তোলে। অনুষ্ঠানত প্ৰখ্যাত চিত্ৰ শিল্পী গকুল ছেত্ৰীক সম্ভাষণ জনোৱা হয়। নিজৰ ভাষণত ছেত্ৰীয়ে চিত্ৰকৰ্ম সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকাই নিজৰ অনুভৱ ব্যক্ত কৰে। চিত্ৰ প্ৰদৰ্শনীৰ অন্যতম কাৰ্যকৰ্তা শান্তনু বৰুৱাই আঁত ধৰা অনুষ্ঠানত নগাঁৱৰ বহুকেইগৰাকী চিত্ৰশিল্পী, সাংবাদিক আদিয়ে অংশগ্ৰহণ কৰে। প্ৰদৰ্শনীত চিত্ৰশিল্পী অংকুৰ চহৰীয়া, সুনীল নাথ, ৰাঘৱ মহন্ত, ৰাতুমণি দাস, অচ্যুতীশ বৰগোহাঁই, ড° মৃদুলা কাশ্যপ, নৱনীতা শৰ্মা, সন্তোষ কুমাৰ আদিৰ চিত্ৰ প্ৰদৰ্শিত হৈছে। এই। চিত্ৰ প্ৰদৰ্শনী ১৭ জুলাইৰ সন্ধিয়া সামৰণি পৰিব।


सेन्ट्रल बैंक ऑफ़ इंडिया
Central Bank of India
1911 से आपके लिए "केंद्रित" "CENTRAL" TO YOU SINCE 1911

**লালগণেশ শাখা**

**যানবাহনৰ নিলাম বিজ্ঞপ্তি**

জনসাধাৰণ আৰু বিশেষকৈ ঋণ লওতা আৰু সহ-ঋণ লওতা/গেৰাণ্টৰসকললৈ এইদৰে জাননী দিয়া যায় যে তলত উল্লেখ কৰা চলনশীল সম্পত্তি/বন্ধকী সম্পত্তি যি **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, লালগণেশ শাখাৰ** আমানত ঋণদাতাৰ ওচৰত বন্ধক/আৰোপিত আছে, সেই সম্পত্তি **"য'ত আছে"**, **"যি আছে সেয়া"** আৰু **"যি অৱস্থাত আছে"** ভিত্তিত **৩১.০৭.২০২৬** তাৰিখে **(বিয়লি ৪ বজাৰ পৰা ৫ বজালৈ)** বিক্ৰী কৰা হ'ব, চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, লালগণেশ শাখাৰ (আমানত ঋণদাতা) ওচৰত **১৫.০৭.২০২৬** তাৰিখৰ পৰ্যন্ত মুঠ ১২,০০,০০০/- (বাৰ লাখ টকা) টকাৰ ঋণ আদায়ৰ বাবে আৰু তাৰ ওপৰত সুত আৰু ব্যয় যোগ হ'ব, যি শ্ৰীমতী দিপালী ভট্ট (ঋণ লওতা)ৰ পৰা আদায় কৰা হ'ব। ৰিজাৰ্ভ মূল্য হ'ব **১২,০০,০০০/- (বাৰ লাখ টকা)** টকা আৰু আৰ্নেষ্ট মানী ডিপোজিট হ'ব **১,২০,০০০/- (এক লাখ বিশ হাজাৰ টকা) টকা, যি ৰিজাৰ্ভ মূল্যৰ ১০% হ'ব।**

**লোন লওতাই বেংকৰ বকেয়া ঋণ পৰিশোধ কৰি আমানত সম্পত্তি মুক্ত কৰিব পাৰে।**

**ইএমডিসহ নিবিদা দাখিলৰ শেষ তাৰিখ ঃ ৩১.০৭.২০২৬, বিয়লি ৪.৩০ বজাৰ আগতে।**

**চলনশীল সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ ঃ আশোক লীলেণ্ড গুডছ কেৰিয়াৰ, মডেল নম্বৰ GM/4225/66C, ২৮ ফুট, ৰেজিষ্ট্ৰেচন নম্বৰ AS01RC1496, চেছিছ নম্বৰ MB1NGCHD1PPHX1509, ইঞ্জিন নম্বৰ PHPZ124201**

**ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তসমূহ**

১. বেংকে পক্ষ(সমূহ)ৰ দ্বাৰা সম্পাদিত হাইপোথিকেচন চুক্তিৰ অধীন প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰত উল্লেখ কৰা হাইপোথিকেটেড মটৰ বাহন পুনৰ অধিগ্ৰহণ কৰিছে আৰু সেইটো "য'ত আছে", "যি আছে" আৰু "যি অৱস্থাত আছে" ভিত্তিত নিলাম কৰা হ'ব।
২. অনুমোদিত বিষয়া/বেংকে কোনো কাৰণ উল্লেখ নকৰাকৈ নিলামৰ যিকোনো নিয়ম আৰু চৰ্ত স্থগিত, বাতিল বা পৰিৱৰ্তন কৰাৰ অধিকাৰ সংৰক্ষণ কৰে।
৩. বিক্ৰী বেংক/অনুমোদিত বিষয়া দ্বাৰা নিশ্চিতকৰণৰ অধীন।
৪. নিলামত ৰখা হাইপোথিকেটেড সম্পত্তিৰ পৰিদৰ্শন ইচ্ছুক বিডাৰসকলক জব্দৰ স্থানত কৰ্ম দিনত **পুৱা ১০.০০ বজাৰ পৰা আবেলি ৪.০০ বজালৈ** অথবা যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত দিনত কৰাৰ অনুমতি দিয়া হ'ব।
৫. বিক্ৰী সন্দৰ্ভত বিস্তৃত নিয়ম আৰু চৰ্তসমূহৰ বাবে, অনুগ্ৰহ কৰি **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া** (আমানত ঋণদাতাৰ) ৱেবছাইট www.centralbankofindia.co.in ত দিয়া লিংকটো চাওক।

**বিধিসম্মত ১৫ দিনীয়া বিক্ৰী বিজ্ঞপ্তি**

লোন লওতা/গেৰাণ্টৰ/মৰ্টগেজৰসকলক এইদৰে জনোৱা হৈছে যে, উল্লিখিত ধনৰ লগতে বৰ্তমানৰ সুত আৰু আন আনুষংগিক ব্যয়সমূহ ই-নিলামৰ তাৰিখৰ পূৰ্বে পৰিশোধ কৰিব লাগে, নতুবা সম্পত্তি নিলাম/বিক্ৰী কৰা হ'ব আৰু বাকেয়া থাকিলে সেয়া সুত আৰু ব্যয়সহ আদায় কৰা হ'ব।

যানবাহনৰ ফটো আৰু ভিডিঅ' | বিক্ৰীৰ নিয়ম আৰু চৰ্তসমূহ | যানবাহনৰ অৱস্থান

**তাৰিখ ঃ ১৫/০৭/২০২৬** **অনুমোদিত বিষয়া**
**স্থান ঃ গুৱাহাটী** **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, মোবাইল নম্বৰ ঃ ৭০০২৪৯১৪১৯**



सेन्ट्रल बैंक ऑफ़ इंडिया
Central Bank of India
1911 से आपके लिए "केंद्रित" "CENTRAL" TO YOU SINCE 1911

**দিশপুৰ শাখা**

**যানবাহনৰ নিলাম বিজ্ঞপ্তি**

জনসাধাৰণ আৰু বিশেষকৈ ঋণ লওতা আৰু সহ-ঋণ লওতা/গেৰাণ্টৰসকললৈ এইদৰে জাননী দিয়া যায় যে তলত উল্লেখ কৰা চলনশীল সম্পত্তি/বন্ধকী সম্পত্তি যি **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, দিশপুৰ শাখাৰ** আমানত ঋণদাতাৰ ওচৰত বন্ধক/আৰোপিত আছে, সেই সম্পত্তি **"য'ত আছে"**, **"যি আছে সেয়া"** আৰু **"যি অৱস্থাত আছে"** ভিত্তিত **৩১/০৭/২০২৬ তাৰিখে (বিয়লি ৪ বজাৰ পৰা ৫ বজালৈ)** বিক্ৰী কৰা হ'ব, **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, দিশপুৰ শাখাৰ** (আমানত ঋণদাতা) ওচৰত **১৫.০৭.২০২৬** তাৰিখৰ পৰ্যন্ত মুঠ **১২,৬৭,০০০/- (বাৰ লাখ সাতষষ্ঠি হাজাৰ টকা)** টকাৰ ঋণ আদায়ৰ বাবে আৰু তাৰ ওপৰত সুত আৰু ব্যয় যোগ হ'ব, যি **মেচাৰ্ছ এইচ ডি ট্ৰেডাৰ্ছৰ মালিক শ্ৰীমতী গীতা মেধী (ঋণ লওতা)**ৰ পৰা আদায় কৰা হ'ব।
ৰিজাৰ্ভ মূল্য হ'ব **১২,৬৭,০০০/- (বাৰ লাখ সাতষষ্ঠি হাজাৰ টকা)** টকা আৰু আৰ্নেষ্ট মানী ডিপোজিট হ'ব **১,২৬,৭০০/-(এক লাখ ছাব্বিশ হাজাৰ সাতশ টকা) টকা, যি ৰিজাৰ্ভ মূল্যৰ ১০% হ'ব।**

**লোন লওতাই বেংকৰ বকেয়া ঋণ পৰিশোধ কৰি আমানত সম্পত্তি মুক্ত কৰিব পাৰে।**

**ইএমডিসহ নিবিদা দাখিলৰ শেষ তাৰিখ ঃ ৩১.০৭.২০২৬, বিয়লি ৪.৩০ বজাৰ আগতে।**

**চলনশীল সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ ঃ আশোক লীলেণ্ড ইউই২৮২৫ T ৬*৪ টিপাৰ — ৩৯০০মিমি ডব্লিউবি, এইচ ছিৰিজ বিএছ VI ডিজেল ইঞ্জিন, ৯ স্পীড গিয়াৰ, বিল্ট ডে কেবিন আৰু ১৬ ঘনমিটাৰ বক্স বডীৰ সৈতে সজ্জিত। টায়াৰৰ সংখ্যা ঃ ২টা ২৯৫/৯৫ডি২০ + ৯টা ২৯৫/৯৫ডি২০। চেচিছ নম্বৰ ঃ MB1H3LHD5PPLV8224, ইঞ্জিন নম্বৰ ঃ PLPZ110344, ০২.০৮.২০২৩ তাৰিখৰ ইনভইচ অনুসৰি ৰোড মূল্য ঃ ৫২,৮৫,৭০০/- (বাৱন্ন লাখ পঁচাশী হাজাৰ সাতশ টকা)।**

**ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তসমূহ**

১. বেংকে পক্ষ(সমূহ)ৰ দ্বাৰা সম্পাদিত হাইপোথিকেচন চুক্তিৰ অধীন প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰত উল্লেখ কৰা হাইপোথিকেটেড মটৰ বাহন পুনৰ অধিগ্ৰহণ কৰিছে আৰু সেইটো **"য'ত আছে"**, **"যি আছে"** আৰু **"যি অৱস্থাত আছে"** ভিত্তিত নিলাম কৰা হ'ব।
২. অনুমোদিত বিষয়া/বেংকে কোনো কাৰণ উল্লেখ নকৰাকৈ নিলামৰ যিকোনো নিয়ম আৰু চৰ্ত স্থগিত, বাতিল বা পৰিৱৰ্তন কৰাৰ অধিকাৰ সংৰক্ষণ কৰে।
৩. বিক্ৰী বেংক/অনুমোদিত বিষয়া দ্বাৰা নিশ্চিতকৰণৰ অধীন।
৪. নিলামত ৰখা হাইপোথিকেটেড সম্পত্তিৰ পৰিদৰ্শন ইচ্ছুক বিডাৰসকলক জব্দৰ স্থানত কৰ্ম দিনত পুৱা ১০:০০ বজাৰ পৰা আবেলি ৪:০০ বজালৈ অথবা যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত দিনত কৰাৰ অনুমতি দিয়া হ'ব।
৫. বিক্ৰী সন্দৰ্ভত বিস্তৃত নিয়ম আৰু চৰ্তসমূহৰ বাবে, অনুগ্ৰহ কৰি **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া** (আমানত ঋণদাতাৰ) ৱেবছাইট www.centralbankofindia.co.in ত দিয়া লিংকটো চাওক।

**বিধিসম্মত ১৫ দিনীয়া বিক্ৰী বিজ্ঞপ্তি**

লোন লওতা/গেৰাণ্টৰ/মৰ্টগেজৰসকলক এইদৰে জনোৱা হৈছে যে, উল্লিখিত ধনৰ লগতে বৰ্তমানৰ সুত আৰু আন আনুষংগিক ব্যয়সমূহ ই-নিলামৰ তাৰিখৰ পূৰ্বে পৰিশোধ কৰিব লাগে, নতুবা সম্পত্তি নিলাম/বিক্ৰী কৰা হ'ব আৰু বাকেয়া থাকিলে সেয়া সুত আৰু ব্যয়সহ আদায় কৰা হ'ব।

যানবাহনৰ ফটো আৰু ভিডিঅ' | বিক্ৰীৰ নিয়ম আৰু চৰ্তসমূহ | যানবাহনৰ অৱস্থান

**তাৰিখ ঃ ১৫/০৭/২০২৫** **অনুমোদিত বিষয়া**
**স্থান ঃ গুৱাহাটী** **চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া, মোবাইল নম্বৰ ঃ ৯৯৫৪৫২১২৩০**


## বিলাসীপাৰাত পৌৰ সভাৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ

# কদৰ্য পৰিৱেশত বসবাস নগৰবাসীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীগঞ্জ, ১৫ জুলাই ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা পৌৰ সভাৰ এটা পথে জলাকলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক। পৌৰ সভাৰ ১২ নম্বৰ ৱাৰ্ডৰ কড়িতলাৰ পথটো বহু বছৰৰ পৰাই কোনো ধৰণৰ মেৰামতি নকৰাত পানী আবদ্ধ হৈ পৰিছে। আবদ্ধ পানী গেলি-পচি একেবাৰে দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হোৱাত স্থানীয় ৰাইজে এতিয়া মাৰাত্মক ডেংগু জ্বৰত ভোগাৰ আশংকাত ভীতিগ্ৰস্ত হৈ পৰিছে। উল্লেখযোগ্য যে ১২ নম্বৰ ৱাৰ্ডটোৰ আয়ুক্ত চন্দন দাস। এনেকি চন্দন দাসে বিলাসীপাৰা পৌৰ সভাৰ উপ-পৌৰপতিৰ গধুৰ দায়িত্ব পালন কৰি আছে। তথাপি কিন্তু দাসে পথটোৰ মেৰামতিৰ কোনো ধৰণৰ গুৰুত্ব দিয়া নাই বুলি ৰাইজে অভিযোগ কৰিছে । পথটোত ১২খনতকৈও অধিক ব্যৱসায় প্ৰতিষ্ঠান আছে যদিও ব্যৱসায় প্ৰতিষ্ঠানসমূহ বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। পথটোত গেলা-পচা পানী আবদ্ধ হৈ পৰাত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ধৰণে অসুবিধাৰ সন্মুখীন হৈছে। গুৰুত্বপূৰ্ণ পথটো অতি সোনকালেই মেৰামতি কৰি দিবলৈ ৰাইজে বিলাসীপাৰাৰ বিধায়ক জীৱেশ ৰায়ক দাবী জনাইছে।


**ASSAM SKILL UNIVERSITY**
*(A Government of Assam University)*
**Mangaldai, District: Darrang, Assam**

**No. ASU/ASUP/556/APDCL/ITI Campus/2026/51 Dated 15-07-2026**

**SHORT TENDER NOTICE**

Sealed Tenders affixing court fee stamp of ₹8.25 (Rupees Eight and paise twenty five) only are invited from reputed agencies having adequate experience in installation of transformer in Government Departments, Educational Institutions, Private Institutions to undertake **"Estimate for Supply, Installation and Commissioning of Transformer 11/0433 KV 500 KVA DTR Copper Wound BIS Level 2"** at Assam Skill University – Interim City Campus, Guwahati, Birubari, PIN - 781016, Assam. The detailed tender documents may be collected from the office of the Registrar, Assam Skill University, Mangaldai, Darrang, Assam, PIN – 784125 on all working days from **9:00 AM to 5:30 PM** from **15-07-2026** onwards upon payment of **₹1000/- (Rupees One Thousand)** only as non-refundable Tender Document Fees. The bids shall be submitted in original hard copy along with Earnest Money Deposit (EMD) of **₹50,000/- (Rupees Fifty Thousand)** only in the form of a Demand Draft, in favour of Assam Skill University payable at Mangaldai, in the office of the Registrar, Assam Skill University, Mangaldai, Darrang, Assam, PIN - 784125.

The last date for submission of bids is **30-07-2026 till 2:30 P.M.** and bids will be opened on **the same day at 3:00 P.M.**

*Sd/-* **Registrar**


# শিৱম কলা কেন্দ্ৰৰ নৃত্য-চিত্ৰকলাৰ গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেলশৰ, ১৫ জুলাই ঃ** নলবাৰীৰ দৌলগোবিন্দপুৰস্থিত শিৱম কলা কেন্দ্ৰৰ উদ্যোগত নৃত্য আৰু চিত্ৰকলাৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। জেইল ৰোডৰ মিলনপুৰত অৱস্থিত শ্ৰীশ্ৰীহনুমান মন্দিৰ প্ৰাংগণত আজিৰ পৰা ১৯ জুলাইলৈ সাতদিনীয়াকৈ আয়োজন কৰা কৰ্মশালাখনত পুৱা ১০ বজাৰ পৰা প্ৰথম তিনি দিন আধুনিক নৃত্যৰ আৰু পিছৰ তিনি দিন সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়া হ'ব। আজি কৰ্মশালাখন উদ্বোধন কৰে শ্ৰীশ্ৰীহনুমান মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী মনোজ কুমাৰ শৰ্মাই। কৰ্মশালা সমন্বয়ক, নৃত্যগুৰু সনাতন বৈশ্যই আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ প্ৰাক্‌মুহূৰ্তত নাগাৰা সূৰ্য ৰামচৰণ ভৰালী, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা আৰু হিয়াৰ আমঠু, বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলোৱাৰ উপৰি পুষ্পাৰ্ঘ্য নিবেদন কৰে নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্য, সাংস্কৃতিক কৰ্মী যতীন ৰাজবংশী, দ্বিপেন শৰ্মা আৰু দীপক মেধিয়ে। উক্ত সময়ত সাহিত্যিক পেঞ্চনপ্ৰাপক কবি কমল কুমাৰ জৈন প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। তাৰ পিছত আধুনিক নৃত্যৰ প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়ে প্ৰশিক্ষক জাগীৰোডৰ বিকাশ বিকি ডেকাই। সহযোগ কৰে বিৰিঞ্চি ডেকাই। প্ৰশিক্ষাৰ্থীসকলক সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিব নৃত্যাচাৰ্য প্ৰভাকৰ গোস্বামীয়ে। উল্লেখ্য যে, ১৬ জুলাইত পদ্মভূষণ, নৃত্যাচাৰ্য যতীন গোস্বামীক বিশেষভাৱে সন্মানিত কৰা হ'ব। আনহাতে, কৰ্মশালাখনত আজিৰ পৰা ১৬ জুলাইলৈ দৌলগোবিন্দপুৰস্থিত শিৱম কলা কেন্দ্ৰৰ শ্ৰেণীকোঠাত বিয়লি ৩ বজাৰ পৰা চিত্ৰকলাৰ প্ৰশিক্ষণ দি আছে প্ৰশিক্ষক অৰূপ বৈশ্য আৰু খগেন দাসে। উক্ত প্ৰশিক্ষণ উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী হৰিশ তালুকদাৰে । শিৱম কলা কেন্দ্ৰৰ অধ্যক্ষ শক্তিপ্ৰসাদ ডেকাই জানিবলৈ দিয়া মতে, ১৯ জুলাইত নলবাৰী জিলা পুথিভঁৰালত পুৱা ১০ বজাৰ পৰা কৰ্মশালাখনৰ বিশেষ সামৰণী অনুষ্ঠান ৰূপায়ণ কৰা হ'ব।


**ৰাজহুৱা জাননী**

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হৈছে যে কোটাক মহিন্দ্ৰা বেংক লিমিটেডে তলত উল্লেখ কৰা বাহনখনৰ এক নিলামৰ আয়োজন কৰিছে।

**বিক্ৰীৰ বাবে থকা বাহন**

১) মডেল নম্বৰ ঃ **TACEGOLD**
বাহন নম্বৰ ঃ **AS23DC4129**
নিৰ্মাণৰ বছৰ ঃ ২০২৪
সংৰক্ষিত মূল্যঃ ২৫৫৬৭৪.৭১৮

**মেচাৰ্ছ কোটাক মহিন্দ্ৰা বেংক লিমিটেডৰ** অধীনত বন্ধকত থকা এই বাহনখন **"যি অৱস্থাত আছে আৰু য'ত আছে সেই অৱস্থাতে"** বিক্ৰী কৰা হ'ব। আগ্ৰহী পক্ষসমূহে বিজ্ঞাপন প্ৰকাশৰ তাৰিখৰ পৰা ৭ দিনৰ ভিতৰত তলৰ ঠিকনাত তেওঁলোকৰ দৰপত্ৰ দাখিল কৰিব পাৰিব

কোটাক মহিন্দ্ৰা বেংক লিমিটেড
আইটেগ প্লাজা, আপাৰ গ্ৰাউণ্ড ফ্ল'ৰ,
তৰুণ নগৰ, ৰাজীৱ ভৱনৰ সমীপত,
জিএছ ৰোড, এবিচি বাছ ষ্টপ,
গুৱাহাটী - ৭৮১০০৫
অথবা
যোগাযোগ কৰক ঃ
মনজিৎ বৰ্মন ঃ ৭৬৭০০০৬৪৫৯
সুমিত বাৰ্মা ঃ ৯৮৭৫৪০৪৮৪৭



**ASIRVAD MICRO FINANCE LTD**
CIN U65923TN2007PLC064550
9th and 10th Floor, No 9, Club House Road, Anna Salai,
Chennai 600 002. Tamil Nadu.
Tel:044-42124493

**নিলামৰ জাননী**

**ঋণ লওঁতাসকলক নিৰ্দিষ্ট ভাৱে আৰু জনসাধাৰণক সাধাৰণতে, ইয়াৰ দ্বাৰা জাননী দিয়া হৈছে যে তলৰ একাউণ্টবোৰত বন্ধকীত ৰখা সোণৰ অলংকাৰবোৰ 16ৰ08ৰ2026 তাৰিখে ৰাতিপুৱা 10.00 বজাৰ পৰা নিম্নলিখিত শাখাবোৰত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ ৰখা হৈছে। সেইসকল গ্ৰাহকৰ সোণৰ অলংকাৰ নিলাম কৰা হব যিসকলে পঞ্জীভুক্ত পত্ৰৰ দ্বাৰা জাননী দিয়া স্বত্বেও তেওঁলোকৰ ঋণৰ পৰিমাণ পৰিশোধ কৰাত ব্যৰ্থ হৈছে। নিলাম নোহোৱা সামগ্ৰীবোৰ আন যিকোনো দিনত কোনো অতিৰিক্ত জাননী অবিহনে নিলাম কৰা হ'ব। নিলামৰ তাৰিখত সোণৰ বজাৰ মূল্য বা 30 দিনৰ গড় আই.বি.জে.এ. হাৰৰ 85%, যিটোৱে অধিক হয় তাৰ ওপৰত আধাৰিত কৰি সংৰক্ষিত মূল্য নিৰ্ধাৰণ কৰা হব। স্থান বা তাৰিখৰ পৰিৱৰ্তন (যদি থাকে) নিলাম কেন্দ্ৰ আৰু কোম্পানীৰ ৱেবছাইটত প্ৰদৰ্শিত হ'ব। তলত দিয়া বিৱৰণবোৰ শাখাৰ নাম, ঋণনম্বৰ, গ্ৰাহকৰ নাম, মুঠ দেয় পৰিমাণ (টকাত) আৰু সামগ্ৰীৰ নামৰ ক্ৰমত দিয়া হৈছে।**

**বন্ধকীৰ তালিকা:-**

অসম , বৰপেটা, , বৰপেটা ৰোড - জি.এল.,, 0328030700005254, 5473, 5503, 5535, 5568, 0328030730005270, 5471, বৰপেটা ৰোড - জি.এল.,, 0325890730003655, 3885, 4122, বিশ্বনাথ, , বিশ্বনাথ চাৰিআলি - জি.এল.,, 0325040700003082, 3295, 3320, 3350, দৰং, , খাৰুপেটিয়া - জি.এল., , 0325460700002935, ধুবুৰী, , ধুবুৰী - জি.এল.,, 0325150700006360, 0325150730004720, ডিব্ৰুগড়, , মৰাণ - জি.এল., , 0325700700004724, 4752, 4768, 0325700730001767, 1773, গোৱালপাৰা, , দুধনৈ - জি.এল.,, 0325500700006707, 6775, 6800, 6827, 6858, 6870, 6879, 6886, 6921, 6923, 6927, 0325500730002335, 2340, 2382, 2394, 2404, 2405, 2406, গোৱালপাৰা - জি.এল., , 0325840700004668, 4696, গোলাঘাট, , বোকাখাট - জি.এল.,, 0328050700003568, 3601, 3637, 3647, 0328050730015160, গোলাঘাট - জি.এল., , 0325440700005707, 5713, 5731, 5753, 5755, 5757, 5770, হোজাই, , ডবকা - জি.এল.,, 0326080700002734, 2741, হোজাই - জি.এল., , 0328060700004318, 4352, যোৰহাট, , টিয়ক - জি.এল., , 0326070700005709, 5745, 0326070730002917, 3098, 3163, তিতাবৰ - জি.এল., , 0328040730004079, কামৰূপ, , বাইহাটাচাৰিআলি - জি.এল.,, 0328820700004036, 4058, 4086, 4087, 4094, হাজো - জি.এল., , 0325290700004868, 4894, 4900, 4942, 4958, 4971, ৰঙিয়াটাউন - জি.এল., , 0325630700004084, 4104, 4137, গ্ৰীশুৱ্ৰষ্টউ, উত্তৰ লখিমপুৰ - জি.এল., , 0328080700004483, 4490, 4506, 4532, 4554, 0328080730001314, 1346, 1377, নলবাৰী, , নলবাৰী - জি.এল. , 0325280700004757, 4784, 4826, শিৱসাগৰ, , নাজিৰা টাউন - জি.এল., , 0325880700004360, 4374, 4386, 0325880730011842, 1898, 1951, শোণিতপুৰ, , জামুগুৰিহাট - জি.এল., , 0328070700003319,

ওপৰোক্ত নিলামত অংশগ্ৰহণ কৰিব বিচৰা ব্যক্তিসকলে নিম্নলিখিতবোৰ পালন কৰিব লাগিব :-

আগ্ৰহী নিবিদাকাৰীসকলে নিলামৰ দিনা নগদ ধনৰ দ্বাৰা ইএমডি হিচাপে 10,000ৰ- টকা দাখিল কৰিব লাগে (অসফল নিবিদাকাৰীসকলক ঘূৰাই দিয়া হব)।
নিবিদাকাৰীসকলে লগত বৈধ পৰিচয় পত্ৰ ৰ পেনকাৰ্ড ৰাখিব লাগিব।
অধিক বিৱৰণৰ বাবে, অনুগ্ৰহ কৰি 9345954568 নম্বৰত যোগাযোগ কৰক।

কৰ্তৃত্বপ্ৰাপ্ত বিষয়া ।
আশীৰ্বাদ মাইক্ৰো ফাইনেন্স লিমিটেডৰ বাবে



बैंक ऑफ़ बड़ौदा
Bank of Baroda

**ফাঁচি বজাৰ শাখা**
**ফাঁচি বজাৰ, ১ম মহলা, হোটেল সিদ্ধাৰ্থ বিল্ডিং, শৰ্মা ছুইট্‌ছৰ ওপৰত, এইচ বি ৰোড, গুৱাহাটী, অসম- ৭৮১০০১, ইমেইল: vjfanc@bankofbaroda.bank.in**

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী**
**পৰিশিষ্ট- IV-A [ৰুল ৬ (২) আৰু ৮ (৬)ৰ অনুবিধি চাওঁক]**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে প্ৰতিভূতি স্বাৰ্থৰ (বলবৎকৰণ) নিয়মাৱলী- ২০০২ৰ নিয়ম ৬(২) আৰু ৮(৬) ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।
ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক), বন্ধকদাতা (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰীক্ষিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তি **বেংক অফ বৰোদা,** চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা অধিগ্ৰহণ কৰা হৈছে আৰু নিম্ন উল্লেখিত একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে'**, **"যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বিক্ৰী কৰা হ'ব। ঋণী/সকল/ বন্ধকদাতা / জামিনদাৰ/সকল/ সুৰক্ষিত সম্পদ/সমূহ/দেয়/সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

| ক্ৰ. নং. | ঋণী/সকল / জামিনদাৰ/ বন্ধকদাতা/সকলৰ নাম আৰু ঠিকনা | জ্ঞাত দায়বদ্ধতাৰ সৈতে স্থাৱৰ সম্পত্তিৰ বিৱৰণ, যদি আছে | মুঠ দেয় | ই-নিলামৰ তাৰিখ, ই-নিলামৰ সময়, আৰম্ভণিৰ সময়ৰ পৰা শেষ সময়লৈ | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | দখলৰ স্থিতি | সম্পত্তি পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | **ঋণী: মেচাৰ্চ শ্বাইন এণ্টাৰপ্ৰাইজ,** স্বত্বাধিকাৰী: শ্ৰী সঞ্জীৱ তালুকদাৰ, পিতা- ধৰণী ধৰ তালুকদাৰ, ঘৰ নং ০১, বেলতলা বজাৰ ৰোড, বেলতলা তিনিআলি, গুৱাহাটী, অসম- ৭৮১০২৮ **জামিনদাৰ: (১) শ্ৰী চম্পক কুমাৰ তালুকদাৰ,** পিতা- ধৰণী ধৰ তালুকদাৰ, উপ পথ নং ৭, বিষ্ণুজ্যোতি পথ, বতাহঘুলি, গণেশ মন্দিৰৰ ওচৰত, পাঞ্জাবাৰী, জিলা: কামৰূপ, অসম- ৭৮১০৩৭ | **(ক) শ্ৰী সঞ্জীৱ তালুকদাৰ আৰু শ্ৰী চম্পক কুমাৰ তালুকদাৰৰ** নামত ৰাজহ গাঁও- ৰুদ্ৰেশ্বৰ, মৌজা- শিলাসিন্দুৰিঘোপা, উপ পঞ্জীয়ক কাৰ্যালয়- আমিনগাঁও, জিলা- কামৰূপ(গ্ৰাম্য), অসমৰ কে. পি. পট্টা নং ৪০(নতুন)ৰ দাগ নং ৯১৩(নতুন)-ৰে আগুৱা বিক্ৰী দলিল নং ১০০৮/২০১৮(১ কঠা ৫ লেচা) আৰু ১০০৭/২০১৮(২ কঠা)-ৰ দ্বাৰা মুঠ ৩ কঠা ৫ লেচা পৰিমাপৰ ভূমি খণ্ডৰ সকলো অংশ। **বিক্ৰী দলিল ১০০৭/২০১৮ অনুসৰি চাৰিসীমা: উত্তৰে-** দাগ নং ৯১৬-ৰ ভূমি, **দক্ষিণে:** দাগ নং ৯১২-ৰ ভূমি, **পূবে:** দাগ নং ৯২৯-ৰ ভূমি, **পশ্চিমে:** দাগ নং ১০৩৫-ৰ ভূমি। **বিক্ৰী দলিল ১০০৮/২০১৮ অনুসৰি চাৰিসীমা: উত্তৰে-** দাগ নং ৯১৪-ৰ ভূমি, **দক্ষিণে:** দাগ নং ৯১২-ৰ ভূমি, **পূবে:** দাগ নং ৯২৯-ৰ ভূমি, **পশ্চিমে:** দাগ নং ১০৩৩-ৰ ভূমি। | **১,৪৯,৬০,০৬৩.২৫ টকা (এক কোটি উনপঞ্চাছ লাখ ষাঠি হাজাৰ তেষষ্ঠি টকা আৰু পঁচিছ পইচা মাত্ৰ) ১৮-০২-২০২৬** তাৰিখে লগতে তাৰ ওপৰত অতিৰিক্ত সুত আৰু অন্যান্য চাৰ্জেছ | **২৬/০৮/২০২৬, দুপুৰীয়া ১৪.০০ বজাৰ পৰা বিয়লি ১৮.০০ বজালৈ** | **১) ১,০২,৩৭,০০০.০০ টকা ২) ১০,২৩,৭০০.০০ টকা ৩) ১০,০০০.০০ টকা** | **নিৰ্মাণমূলক** | **২৪/০৮/২০২৬** আৰু **২৫/০৮/২০২৬ পুৱা ১০:৩০** বজাৰ পৰা বিয়লি **১৬:৩০** বজালৈ |
| | **(২) শ্ৰীমতী পাৰুল তালুকদাৰ,** স্বামী- চম্পক কুমাৰ তালুকদাৰ, উপ পথ নং ৭, বিষ্ণুজ্যোতি পথ, বতাহঘুলি, গণেশ মন্দিৰৰ ওচৰত, পাঞ্জাবাৰী, জিলা: কামৰূপ, অসম- ৭৮১০৩৭ | **(খ) শ্ৰীমতী পাৰুল তালুকদাৰৰ** নামত ৰাজহ গাঁও- বেতকুছি, মৌজা- বেলতলা, জিলা- কামৰূপ(ম), অসম- ৭৮১০৪০-ৰ কে. পি. পট্টা নং ২৭৩, ১৫৬৪(নতুন)ৰ দাগ নং ২১৭১, ২১৭৩(নতুন)-ৰে আগুৱা বিক্ৰী দলিল নং ১১৫০৬/২০২১-ৰ দ্বাৰা **২.৬৮ আৰ** পৰিমাপৰ ভূমি খণ্ডৰ সকলো অংশ। **চাৰিসীমা:- উত্তৰে:** পথ, **দক্ষিণে:** মালিকৰ ভূমি, **পূবে:** ৰাহুল বৰাৰ ভূমি, **পশ্চিমে:** মালিকৰ ভূমি। | | **২৬/০৮/২০২৬, দুপুৰীয়া ১৪.০০ বজাৰ পৰা বিয়লি ১৮.০০ বজালৈ** | **১) ৩৭,০৫,০০০.০০ টকা ২) ৩,৭০,৫০০.০০ টকা ৩) ১০,০০০.০০ টকা** | **নিৰ্মাণমূলক** | **২৪/০৮/২০২৬** আৰু **২৫/০৮/২০২৬ পুৱা ১০:৩০** বজাৰ পৰা বিয়লি **১৬:৩০** বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://www.bankofbaroda.bank.in/e-auction** আৰু অনলাইন নিলাম পৰ্টেল **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীয়ে অনুমোদিত বিষয়াৰ মোবাইল নম্বৰ: ৯৮৪০৫৭৮৭০৭-ত ও যোগাযোগ কৰিব পাৰে।

**তাৰিখ ঃ ১৬-০৭-২০২৬, স্থান ঃ গুৱাহাটী, অসম** **অনুমোদিত বিষয়া, বেংক অফ বৰোদা**